# 2013

## ASSAMESE

( Major )

Paper : 3.6

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Candidates* ***eligible*** *for Internal Assessment shall answer from* PART—I *only* ( *Marks* : 90 )

---

*Candidates* ***not eligible*** *for Internal Assessment shall answer both from* PART—I *and* PART—II ( *Marks* : 100 )

## PART—I

( *Marks* : 90 )

### প্ৰথম খণ্ড

( *মূল্যাংক* : ৫৫ )

১। (ক) কি কি লক্ষণৰ ওপৰত নিৰ্ভৰ কৰি ভাষাবিজ্ঞানীসকলে পৃথিৱীৰ ভাষাবোৰক একোটা পৰিয়ালত বিভক্ত কৰিছে? এই পৰিয়ালকেইটা কি কি? জগতৰ সৰ্ববৃহৎ ভাষা পৰিয়ালটোৰ ক্ষেত্ৰত প্ৰয়োগ কৰা ভিন ভিন নামৰ উল্লেখ কৰি ইয়াৰ জন্মস্থানৰ বিষয়ে আভাস দিয়া। ৫+৫+৫=১৫

*অথবা*

(খ) "কোনো গভীৰ অৰ্থতে ভাষাই সংস্কৃতিৰ প্ৰতিফলন নঘটায়।" এডোৱাৰ্ড চাপিৰৰ এই উক্তিৰ আধাৰত ভাষা আৰু সংস্কৃতিৰ পাৰস্পৰিক সম্পৰ্ক নিৰূপণ কৰা। ১৫

২। (ক) "একোটা ভাষাৰ সম্বন্ধে সম্যক জ্ঞান লাভ কৰিবলৈ হ'লে কেৱল মূল লিখিত ভাষাৰ অধ্যয়নেই যথেষ্ট নহয়।" কথাষাৰ মনত ৰাখি ভাষাৰ অধ্যয়নত উপভাষাৰ গুৰুত্ব সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ১৫

*অথবা*

(খ) কি কি পৰিস্থিতিত এটা মিশ্ৰ ভাষাৰ সৃষ্টি হ'ব পাৰে? তোমাৰ পাঠ্য-পুথিৰ সহায়ত যি কোনো এটা মিশ্ৰ ভাষাৰ পৰিচয় দিয়া। ৮+৭=১৫

৩। (ক) ভাষাৰ বৰ্গীকৰণৰ ক্ষেত্ৰত কি কি পদ্ধতি গ্ৰহণ কৰা হয়? ইয়াৰে তুলনামূলকভাৱে জনপ্ৰিয় পদ্ধতি এটাৰ বিষয়ে আলোচনা কৰা। ৮+৭=১৫

*অথবা*

(খ) ভাৰতত প্ৰচলিত ভাষা পৰিয়ালসমূহৰ ভিতৰত কোনটো পৰিয়ালক প্ৰধান আখ্যা দিয়া হয়? এই পৰিয়ালৰ শাখাবোৰৰ চমু পৰিচয় দিয়া। ৩+১২=১৫

৪। তলৰ যি কোনো দুটাৰ বিষয়ে উদাহৰণসহ চমু টোকা লিখা : ৫×২=১০

মূৰ্ধন্যীভৱন ; মহাপ্ৰাণীকৰণ ; পৰাগত সমীভৱন ; অনুনাসিকীভৱন।

## দ্বিতীয় খণ্ড

( *মূল্যাংক* : ৩৫ )

৫। (ক) "ভাষাৰ শিক্ষণ আৰু প্ৰশিক্ষণত ধ্বনি-সম্পৰ্কীয় সকলো বিষয়ে পথপ্ৰদৰ্শন কৰিব পাৰে একমাত্ৰ ধ্বনিবিজ্ঞান তথা ধ্বনিতত্ত্বই।" পাঠ্য কিতাপৰ সহায়ত কথাষাৰ বিস্তৃতভাৱে আলোচনা কৰা। ১৬

*অথবা*

(খ) বৰ্ণনাত্মক ভাষাবিজ্ঞান বুলিলে কি বুজা? ইয়াৰ অন্তৰ্গত বিষয়সমূহৰ বিষয়ে আলোচনা কৰা। ৬+১০=১৬

৬। "বাক্য ৰচিত হয় পদেৰে, আৰু এই পদেই বাক্যৰ স্তৰত নিম্নতম ক্ষুদ্ৰ একক বা গোট বিশেষ।" অসমীয়া ভাষাৰ পৰা উদাহৰণ দি কথাষাৰ বুজাই লিখা। ১৫

৭। তলৰ যি কোনো এটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ৪

(ক) অসমীয়া বাক্যত সুৰ-লহৰৰ স্থান সম্বন্ধে লিখা।

(খ) সম্প্ৰতি প্ৰচলন হ'বলৈ ধৰা অসমীয়া বাক্য গঠন পদ্ধতি সম্বন্ধে লিখা।

(গ) তলৰ বাক্যকেইটাত কিবা ভুল আছে যদি, শুদ্ধকৈ লিখা :

(১) বৰষুণ এৰিলটো তেওঁ নাহিল।

(২) বিভাগত মুৰব্বী অধ্যাপকৰ প্ৰাধান্যতা চকুত লগা।

(৩) প্ৰাচীন অসমত ভূঞাঁসকলে ৰাজ্য শাসন কৰিছিল।

(৪) তোমাৰ মা-দেউতা ভালে আছে নে?

PART—II

( *Marks* : 10 )

**( আভ্যন্তৰীণ মূল্যায়নৰ পৰিৱৰ্তে )**

৮। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা : ৫×২=১০

(ক) সংবাদ মাধ্যমত প্ৰচলিত অসমীয়া ভাষা

(খ) সাম্প্ৰতিক কালৰ অসমীয়া ভাষাত ইংৰাজীৰ প্ৰভাৱ

(গ) অসম সাহিত্য সভা আৰু অসমৰ জনজাতীয় ভাষা

(ঘ) ভাষাতত্ত্ববিদৰ ভূস্বৰ্গৰূপে উত্তৰ-পূব ভাৰত

★★★